* শৈক্ষিক পৰ্যবেক্ষণ বুলিলে কি বুজা? ইয়াৰ বৈশিষ্ট্য সমূহ কি কি?

উত্তৰ:-> সাধাৰণতে পৰ্যবেক্ষণ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে "Supervision". Supervision শব্দটো Super আৰু "vision" এই দুটা শব্দৰ পৰা উৎপত্তি হৈছে। Super ৰ অৰ্থ হ'ল ওপৰৰ আৰু "vision"ৰ অৰ্থ হ'ল কোনো এটা বস্তু বা ঘটনা প্ৰত্যক্ষ কৰা। গতিকে পৰ্যবেক্ষণ হৈছে ওপৰৰ শ্ৰেণীৰ বিষয়ববীয়া সকলে তলতীয়া শ্ৰেণীৰ কৰ্ম কাজ পৰ্যবেক্ষণ কৰা এক প্ৰক্ৰিয়া। শিক্ষাৰ দিশটোৰ ক্ষেত্ৰতো এই প্ৰক্ৰিয়াটো জড়িত হৈ থকা দেখা যায়। শৈক্ষিক পৰ্যবেক্ষণ হ'ল শিক্ষাৰ এক গুৰুত্বপূৰ্ণ উপাদান, যি শিক্ষাদান আৰু শিক্ষা গ্ৰহণ ব্যৱস্থাৰ লগত গুৰুত্বপূৰ্ণ ভাৱে জড়িত হৈ থাকে। শৈক্ষিক পৰ্যবেক্ষণৰ জৰিয়তে শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ গুৰুত্বপূৰ্ণ লক্ষ্য উদ্দেশ্যত উপনীত হ'ব পৰা যায়। শৈক্ষিক পৰ্যবেক্ষণ কাৰ্য আচঁনি প্ৰস্তুত-কৰণ তথা প্ৰয়োগ সম্বন্ধীয় দিশৰ লগতো জড়িত। ~~শৈক্ষিক~~ পৰ্যবেক্ষণৰ ধাৰণাটো অধিক স্পষ্ট ভাৱে বুজাব পাৰি তলত কেইটামান সংজ্ঞা আগবঢ়োৱা হ'ল —

(ক) ফ্ৰেংক.টি. আয়াৰৰ মতে "পৰ্যবেক্ষণ হ'ল সকলোবোৰ শৈক্ষিক প্ৰচেষ্টাৰ ভিতৰত আটাইতকৈ সুন্দৰ আৰু গতিশীল। এইটো হ'ল অতি সুন্দৰ; কাৰণ ই বৰ সৃষ্টিশীল"।

(খ) এ.এচ. বেৰৰ মতে, "পৰ্যবেক্ষণ হ'ল এক দক্ষতামূলক কাৰ্যকৰী সেৱা, যি প্ৰাথমিক ভাৱে শিক্ষাৰ্থীসকলৰ গঠন প্ৰক্ৰিয়া আৰু শিক্ষকৰ অৱস্থাৰ অধ্যয়ন আৰু বিকাশৰ লগত জড়িত।"

উপৰোক্ত সংজ্ঞা সমূহ বিশ্লেষণ কৰিলে নিম্নোক্ত প্ৰকৃতি/ বৈশিষ্ট্য সমূহ শৈক্ষিক পৰ্যবেক্ষণৰ ক্ষেত্ৰত দেখা যায় —

Scanned by CamScanner

১) শৈক্ষিক পৰ্যবেক্ষণ শিক্ষা প্ৰক্ৰিয়াৰ লগত জড়িত এক প্ৰধান বিষয়। যি শিক্ষা প্ৰক্ৰিয়াৰ বিভিন্ন আঁচনি প্ৰস্তুতকৰণ, আৰু আঁচনি সমূহৰ প্ৰয়োগ সম্বন্ধ দিশৰ সৈতে সম্পৰ্কিত।

২) শৈক্ষিক পৰ্যবেক্ষণ এক গতিশীল প্ৰক্ৰিয়া। ই শিক্ষাৰ সৈতে জড়িত ব্যক্তিসকলৰ দক্ষতাবৃদ্ধিকৰ কাৰিকৰী সেৱা সমূহৰ সৈতে সংযোজিত গতিশীল কাৰ্যসূচী।

৩) শৈক্ষিক পৰ্যবেক্ষণ এক সৃষ্টিশীল প্ৰক্ৰিয়া। শৈক্ষিক পৰ্যবেক্ষণে শিক্ষকসকলক সমালোচনাত আগুৱাতকৈ তেওঁলোকৰ নিজস্ব প্ৰতিভাৰ সৃষ্টিধৰ্মী কৰ্ম সম্পাদনতহে বেছিকৈ উৎসাহিত কৰিব লাগে।

৪) শৈক্ষিক পৰ্যবেক্ষণৰ আন এটা প্ৰধান বৈশিষ্ট্য হ'ল ই সাৰ্বাঙ্গিনতে মনস্তাত্ত্বিক আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত।

৫) শৈক্ষিক পৰ্যবেক্ষণ প্ৰশাসনৰ এক প্ৰয়োজনীয় দিশ যত শিক্ষা দান আৰু শিক্ষা গ্ৰহণ দিশ দুটাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি শিক্ষাৰ উদ্দেশ্য সাধন কৰাত সহায় কৰে।

৬) শৈক্ষিক পৰ্যবেক্ষণ সমন্বয় মূলক প্ৰকৃতিৰ। শৈক্ষিক সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত শিক্ষক, শিক্ষাৰ্থী, স্থানীয় সমাজ সচেতন লোক ইত্যাদি সকলোৰে মাজত সমন্বয় আৰু সংহতিৰ খুব প্ৰয়োজন হয়।

৭) শৈক্ষিক পৰ্যবেক্ষণ প্ৰগতিশীল। কাৰণ ইয়াত প্ৰতিজন ব্যক্তিৰে আত্ম সংশোধনৰ ব্যৱস্থা আছে। পৰ্যবেক্ষণ প্ৰক্ৰিয়াৰ ভৱিষ্যতে শিক্ষক বা ছাত্ৰ-ছাত্ৰীৰ লব্ধজ্ঞান আৰু আৱশ্যকতাৰ পদ্ধতি নিৰ্দ্ধাৰণ বা ফলাফলবোৰৰ সঠিক মূল্যায়ন কৰা হয়।

গতিকে ওপৰৰ আলোচনাৰ পৰা কব পাৰি যে, শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন আঁচনিবোৰৰ কাৰ্যসম্পাদন হৈছে নে নাই তাক নিশ্চিত কৰাই হৈছে শৈক্ষিক প